EUROPEAN COMMISSION

Humanitarian Aid

# সুৰক্ষা বাৰ্তা

actionaid

GRAMYA VIKASH MANCHA
SERVE PEOPLE TO SERVE GOD
ESTD. 1999
















# আৰম্ভণীতে

*গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগত শিক্ষানুষ্ঠানৰ মাধ্যমেৰে দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমনৰ প্ৰয়াস আৰম্ভ হৈছিল ইং ২০০৭ চনতে। প্ৰাৰম্ভিক পৰ্য্যায়ত নলবাৰী জিলাৰ বৰভাগ পূব-নলবাৰী আৰু বড়িগোগ-বনভাগ উন্নয়ন খণ্ডৰ অধীনত মুঠ ৪০ খন বিদ্যালয়ক এই প্ৰকল্পত সামৰি লোৱা হৈছিল। তিনি বছৰৰ বাবে উক্ত প্ৰকল্প ৰূপায়ন কৰাৰ অন্তত নতুনকৈ ৪০ খন বিদ্যালয়ত পুনৰ সম্প্ৰসাৰণ কৰা হৈছিল উক্ত প্ৰকল্প। প্ৰথম প্ৰকল্পটি ৰূপায়নৰ বাবে একচন এইডৰ জৰিয়তে অৰ্থসাহাৰ্য্য আগবঢ়াইছিল* Department for International Develepment (DFID, UK) *আৰু দ্বিতীয় প্ৰকল্পটো ৰূপায়নত চমুকৈ* European Commission Humanitarian Aid *চমুকৈ* ECHO *(ইকে) নামৰ আন্তৰ্জাতিক সংস্থাটিয়ে। দ্বিতীয় প্ৰকল্পৰ কাৰ্য্যৰূপায়ন ইং ৩১ আগষ্ট, ২০১০ তাৰিখে ওঠৰ মাহৰ অন্তত সমাপ্ত হব। একেধৰণৰ প্ৰচেষ্টা সুদীৰ্ঘ চাৰি বছৰ ছয় মাহ ধৰি বিভিন্ন পৰ্য্যায়ত ৰূপায়ন কৰা হয়। উক্ত সময়চোৱাত বিভিন্ন জনে বিভিন্ন ধৰণে জড়িত হৈ প্ৰকল্পৰ ঘোষিত লক্ষ্য, উদ্দেশ্যত উপনীত হোৱাত অবদান আগবঢ়ালে। তেনে প্ৰতিজন ব্যক্তিলৈ এই ছেগতে গ্ৰাম্য বিকাশ মঞ্চৰ তৰফৰ পৰা কৃতজ্ঞতা আৰু অভিনন্দন জ্ঞাপন কৰিছো। প্ৰকল্পৰ লগত প্ৰত্যক্ষ বা পৰোক্ষ ভাবে জড়িত হৈ সহযোগ আগবঢ়োৱা অসমৰ প্ৰতিখন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী পৰিচালনা সমিতিৰ সদস্য/সদস্যা, ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকাকে এই ছেগতে বিশেষ ভাৱে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো। লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছো চৰকাৰী-বেচৰকাৰী সমূহ অনুষ্ঠান-প্ৰতিষ্ঠানক যিয়ে প্ৰত্যক্ষ বা পৰোক্ষভাৱে বিভিন্ন পৰ্য্যায়ত বিভিন্ন কাৰ্যসূচীত জড়িত হৈ আমাক প্ৰেৰণা আগবঢ়াই আহিছে।*

*প্ৰকল্পৰ সময়ছোৱাত শিক্ষানুষ্ঠানৰ মাধ্যমেৰে সমাজত প্ৰবেশ কৰিবলৈ প্ৰয়াস কৰা হৈছিল। সমাজৰ বিভিন্ন ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠান এই সময় ছোৱাত আমাক যিধৰণে সক্ৰিয় সহাৰি আগবঢ়ালে আমি তেখেত সকলৰ ওচৰত চিৰদিন ঋণী হৈ থাকিম। সকলো ধৰণৰ দুৰ্যোগৰ সতে মোকাবিলা কৰিব পৰাকৈ সক্ষম এখন সমাজ সৃষ্টিৰ লক্ষ্যৰে এই সময়চোৱাত আমি কিছু বীজ সিচিলো। সকলো সহযোগত এই বীজ অংকুৰিত হৈ বিকশিত হব, ক্ৰমাৎ শক্তিশালী হব, সমাজত সুফল দিব, সকলো ধৰণৰ দুৰ্যোগ মোকাবিলা কৰিবলৈ সমাজখন সক্ষম হব। আশাকৰো, আমি সকলোৰে সীচা এই বীজ অংকুৰিত, বিকশিত, শক্তিশালী ভাৱে প্ৰসাৰিত হোৱাত আটায়ে একেদৰেই সক্ৰিয় সহযোগ অহা দিন বিলাকতো আগবঢ়াব। আপোনাৰ, আমাৰ সকলোৰে যৌথ প্ৰচেষ্টাই তাক সম্ভৱ কৰিব। এই মুহূৰ্তত তাৰেই কামনা কৰিলো।*

*আমাৰ এই প্ৰচেষ্টা আগবঢ়াই নিয়াত একচন ইণ্ডিয়া,* DFID, ECNO *তথা বিভিন্ন ৰাজ্যিক, ৰাষ্ট্ৰীয়, অন্তঃ ৰাষ্ট্ৰীয় সংস্থাই আগবঢ়োৱা সহায়-সহযোগক শ্ৰদ্ধাৰে সুঁৱৰিছো, কৃতজ্ঞতা জ্ঞাপন কৰিলো।*

*পুনৰ আটাইলৈ শ্ৰদ্ধা, কৃতজ্ঞতা জ্ঞাপন কৰি আগন্তুক দিনত একেদৰেই সক্ৰিয় সহযোগ কামনা কৰিলো। আহক সমাজখন সফল আৰু শক্তিশালীকৰণৰ বাবে একেলগে আগবাঢ়ো। তাৰেই কামনাৰে—*

**পৃথিভূষণ ডেকা**

# দুৰ্যোগ এক অনুভৱ....




**মহানন্দ তালুকদাৰ**
বিষয়-শিক্ষক
পঃ বঃ ধীৰদত্ত উঃ মাঃ বিদ্যালয়, বৰখালা




দুৰ্যোগ বুলিলে ধাৰনা হয় ই যেন এক দুৰ্ভাগ্য। তাত কৈ সৰল ভাষাৰে কবলৈ হ'লে ই এক ধবংস যজ্ঞ। দুৰ্যোগৰ অৰ্থ সূদুৰ ব্যাপি যদিও ইয়াৰ স্বৰূপ সীমহীন। দুৰ্যোগ এটা পৰিয়াল বা এজন ব্যক্তি তথা অঞ্চল বা দেশ বা সমগ্ৰ বিশ্বব্যাপি হব পাৰে।

সাধাৰণ ভাবে দুৰ্যোগ দুই প্ৰকাৰৰ প্ৰাকৃতিক আৰু মানৱসৃষ্ট। বানপানী, ভূমিকম্প, খৰাং, প্ৰাকৃতিক দুৰ্যোগ। আন হাতে যুদ্ধ বিগ্ৰহ, সংঘৰ্ষ, উগ্ৰপন্থীৰ আক্ৰমন, উদ্যোগত হোৱা দুৰ্ঘটনা মানৱ সৃষ্টি দুৰ্যোগৰ শাৰীত পৰে। দুৰ্যোগ যি ধৰণৰ নহলেও ইয়াৰ যি পৰিনতি, ক্ষয়-ক্ষতি মানুহৰ ওপৰত পৰে সেৱা অবৰ্ননীয়। এটা অঞ্চল বা এখন দেশৰ অৰ্থনৈতিক, ভৌগোলিক তথা সামাজিকে ভাৱে যথেষ্ট অনিষ্ঠ সাধন কৰে।

প্ৰাকৃতিক দুৰ্যোগৰ প্ৰকৃত আগ জাননী যদিও পাব নোৱাৰি, তথাপি দুৰ্যোগৰ পৰা সকাহ পোৱাৰ বাবে আগতীয়া ব্যৱস্থা নিশ্চিত বাবে লব পৰা যায়। দুৰ্যোগৰ পৰা হ'ব পৰা ক্ষয়-ক্ষতিৰ পৰিমান প্ৰশসন কৰাৰ বাবে নিশ্চিত উপায় অৱলম্বন কৰিব পাৰি। অৰ্থাৎ দুৰ্যোগৰ লগত উপযুক্ত বাবে মোকাবিলা কৰিব পাৰিলে তাৰ পৰা হোৱা ক্ষয়-ক্ষতিৰ পৰিমান কম কৰিব পাৰি। দুৰ্যোগৰ পিছৰ যি ভয়াবহতা তাৰ লগত মুখা-মুখি হোৱাৰ জোখেৰে প্ৰস্তুত হোৱাতো সকলোৰে ভাবে বাঞ্চনীয়। এই বোৰ বাতে আটাইতকৈ প্ৰয়োজনীয় শক্তি হ'ল মানৱ শক্তি। মানৱ সমাজে দুৰ্যোগৰ লগত সহ-বাস কৰিব লাগিলে প্ৰয়োজন হব উপযুত্ত দুৰ্যোগ ব্যৱস্থাপনা। দুৰ্যোগ ব্যৱস্থাপনাৰ মূল লক্ষ্য আৰু উদ্দেশ্য হ'ল দুৰ্যোগৰ বিষয়ে সৰ্ব সাধাৰণ মানুহক সজাগ কৰা। ১৯৯৯ চনত হোৱা উৰিষ্যাৰ বৃহৎ সাগৰীয় ধুমুহা আৰু পৰৱৰ্তী সময়ত মহাৰাষ্ট্ৰত হোৱা ভূমিকম্পত ক্ষয়-ক্ষতিৰ পৰিমান অধিক হোৱাৰ মূলতেই হ'ল উপযুক্ত ব্যৱস্থাপনাৰ

অভাৱ। ইয়াৰ লগতে ন্যায় পালিকাসকলৰ সময় উপযোগী তৎপৰতাৰ অভাৱ।

দিন যোৱাৰ লগে লগে দুৰ্যোগৰ হাৰ বাঢ়ি গৈ আছে ইয়াৰ একশ এবুৰি কাৰণ থাকিলেও প্ৰধানকৈ জগৰীয়া মানুহ। অহৰহৰ প্ৰকৃতিৰ ওপৰত কৰা ধবংসই সামগ্ৰীক ভাৱে প্ৰাকৃতিৰ যি সুস্থিৰতা তাৰ ভাৰসাম্যতা দিনক দিনে লোপ পাব লৈছে। ফলত বায়ুমণ্ডলৰ যি স্বাভাৱিক অৱস্থা তাৰ ওপৰত প্ৰভাৱ পৰিছে যোৱা প্ৰায় তিনিটা দশকত বায়ুণ্ডলীয় উষ্ণতা বাঢ়িছে আৰু ফলত গোলকীয় উষ্ণতা বৃদ্ধি পাইছে। ইতিমধ্যে গোলকীয় উষ্ণতাৰ প্ৰভাৱ প্ৰকৃতিৰ ওপৰত পৰিবলৈ লৈছে। ফলস্বৰূপে প্ৰাকৃতিক দুৰ্যোগৰ পৰিমান বৃদ্ধি হৈছে।

সমগ্ৰবিশ্বত সঘনাই হৈ থকা দুৰ্যোগ পূৰ্ব অৱস্থাত ইতিমধ্যে বিশ্বৰ বিভিন্ন দেশে, নানা ধৰণৰ বেচৰকাৰী সংগঠনে দুৰ্যোগত হব পৰা ক্ষয়-ক্ষতিৰ পৰিমানকে কি উপায়েৰে প্ৰশমিত কৰিব পাৰি সেই বিষয়ত ইতিমধ্যে বহুতো অধ্যয়ন আৰু চিন্তা চৰ্চা চলি আহিছে। ইয়াৰে ফলস্বৰূপে বিভিন্ন দেশে এই চিন্তাৰ ফল প্ৰসু সমাধানত নামি পৰিছে আমাৰ দেশৰ লগতে অসমতো দুৰ্যোগ ব্যৱস্থাপনাৰ মাধ্যমেৰে ক্ষয়-ক্ষতিৰ পৰিমান লাঘৱ কৰাৰ উদ্দেশ্য আগত ৰাখি চৰকাৰী তথা বেচৰকাৰী বহুতো সংগঠনে আগবাঢ়ি অহাতো নিশ্চিত ভাৱে প্ৰশংসনীয়।

ভাৰতবৰ্ষৰ দৰে উপমহাদেশত বৰ্ত্তমানো দুৰ্যোগ ব্যৱস্থাপনা সচা অৰ্থ গঢ়লৈ নুঠা অৱস্থাত বিশ্বৰ আগ শাৰীৰ ActionAid নামৰ সংস্থা এটাৰ জড়িয়তে অসমৰ দৰে ৰাজ্য এখন ভিতৰুৱা অঞ্চলত এচাম যুৱকৰ দ্বাৰা গঠিত গ্ৰাম্য বিকাশ মঞ্চ (G.V.M.) নামৰ বেচৰকাৰী সম্থাটোৱে সমগ্ৰ নলবাৰী জিলাক সাঙুৰি DRR অৰ্থাৎ দুৰ্যোগৰ ক্ষয়-ক্ষতি প্ৰশসন মান কেনেকৈ নিম্নতম কৰিব পাৰি তাৰ বাবে জড়িত হৈ পৰাতো দেশৰ বাবে ইতিবাচক ইংগিত। এই জিলাৰ কেৰাশ ছাত্ৰ-ছাত্ৰীৰ লগত সেই বোৰ অঞ্চলৰ জনসাধাৰণৰ মাজত সজাগত অনাত সফল হৈছে। লগতে দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ পৰিমান কম কৰাৰ কিছুমান বাস্তৱ সন্মত কৌশল সম্পৰ্কে বিদ্যালয় সমূহৰ মাজত এক বিৰাট আন্দোলন গঢ়ি তুলিবলৈ সক্ষম হৈছে। আনকি বিদ্যালয়ে বিদ্যালয়ে একোটা স্বেচ্ছাসেৱা কৌশল দল গঠন কৰিবলৈ সক্ষম হৈছে। যি সময়ত এখন চৰকাৰে যি কাম কৰিবলৈ সক্ষম হোৱা নাই গ্ৰামীন বিকাশ মঞ্চই এই দিশত যথেষ্ট খিনি আগবাঢ়িবলৈ সক্ষম হৈছে । শিক্ষক ৰাইজৰ মাজত দুৰ্যোগ আৰু ইয়াৰ পৰা হব পৰা ক্ষয়-ক্ষতিৰ ওপৰত লৰ লগা সাধাৰণ জ্ঞান প্ৰচাৰত সফল হোৱাই নহয় শিক্ষক ছাত্ৰ-ছাত্ৰীৰ বাবে দুৰ্যোগ সম্পৰ্কে বিভিন্ন হাত পুথি যোগান ধৰি আহিছে। উক্ত বেচৰকাৰী সম্থাটোৱে বিশেষ কৈ সমগ্ৰ বৰভাগ অঞ্চল বানপীড়িত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি ঠায়ে ঠায়ে দুৰ্যোগৰ সময়ত আশ্ৰয়ৰ বাবে ওখ ঠাইৰ ব্যৱস্থা কৰাৰ লগতে উন্নত মানৰ পানী যোগান ব্যৱস্থা আৰু শৌচাগাৰ, গা ধোৱা গৃহ নিৰ্মাণ কৰি দিয়াটো এক প্ৰশংসনীয় পদক্ষেপ।

যোৱা তিনি-চাৰি বছৰ ধৰি উক্ত বেচৰকাৰী সম্থাটোৰ লগতে জড়িত থাকিব পাৰি আনন্দ লাভ কৰিছো। আশা কৰো অহা দিনবোৰত গ্ৰাম্য বিকাশ মঞ্চ'ই সমগ্ৰ অসম বাসীক দুৰ্যোগ সম্পৰ্কত বাট কাটিয়া হৈ কাম কৰি যোৱাৰ সকলো প্ৰকাৰৰ পথ প্ৰহস্থ কৰি তুলিব পাৰিব আৰু আমাৰ সকলোৰে আদৰ্শহোৱাৰ কামনাৰে।

# তাচৰ নিচা



**ৰিনজী ডেকা**
নৱম শ্ৰেণী
শংকৰদেৱ শিশু নিকেতন, বৰভাগ

বিশাল ব্ৰহ্মপুত্ৰৰ মাজত অৱস্থিত মাজুলীৰ এখন সৰু গাঁৱত বাস কৰে মাধৱে। নদীৰ পাৰতে তাৰ ঘৰ। তাৰ আপোন বুলিবলৈ এই পৃথিৱীত কোনো নাই। সৰুতেই মাক-দেউতাক ঢুকুওৱাত পঢ়া-শুনা বাদ দি নদীৰ পাৰতে সি তাৰ অকলশৰীয়া জীৱনৰ সৈতে বাস কৰে। সকলোৰে দৃষ্টিত মাধৱ অকলশৰীয়া। কিন্তু সি কেতিয়াও নিজকে অকলশৰীয়া অনুভৱ কৰা নাই। তাৰ সংগী হিচাপে তাৰ লগত সদায় কেইখনমান তাচপাত থাকে, যাৰ অবিহনে সি জীয়াই থাকিব নোৱাৰে।

ব্ৰহ্মপুত্ৰৰ পাৰত সি সদায় তাচখেলত বহে। তাৰ পৰা দুই-এপইচা উলিয়াই সি তাৰ পেট পুৰায়। অৱশ্যে কেতিয়াবা কেতিয়াবা সি লঘোণ দিবলগীয়া হয়। কিন্তু তাচপাতৰ টুকুৰাই তাৰ সকলো পাহৰাই পেলায় সেইকেইখন চায়েই সি পেটৰ ভোক পাহৰি যায়। সি তাৰ জীৱনৰ সকলো আশা-আকাংক্ষা, মোহ-মায়া ত্যাগ কৰিছে। পাহৰি গৈছে যে সকলোৰে দৰে তাৰে এটা জীৱন আছে। কেৱল সি মনত ৰাখিছে তাচপাত কেইখন। তাচ খেলুৱৈ মাধৱক নজনা মানুহ মাজুলীত নাই বুলিবলৈ পাৰি। মাধৱক দেখিলে আচৰিত যেন লাগে। এনে লাগে যেন এটুকুৰা শুকান কাঠ। তাৰ মুখত কেতিয়াও হাঁহি দেখা নাযায়। তাচখেলাৰ বাহিৰে আন সময়ত যেন তাৰ দেহটো অৱশ।

লাহে লাহে দিনবোৰ পাৰ হ'বলৈ ধৰিলে। মাধৱেও তাচৰ নিচাত ডুবি ডুবিয়ে সময় অতিবাহিত কৰিলে। এবাৰ, ব্ৰহ্মপুত্ৰ পানীয়ে ভয়াবহক ৰূপ ধাৰণ কৰি বিভীষিকাৰ সৃষ্টি কৰিলে। চাৰিওফালে কেৱল পানী আৰু পানী। মাধৱৰ সৰু পজাঁটোও পানীৰ পৰা ৰক্ষা নপৰিল। তাৰ ঘৰৰ আধা অংশ পানীত ডুব গ'ল। তাৰ খাদ্যৰ অভাৱে তাক জৰ্জৰিত কৰি পেলাইছিল। তথাপি সি তাচ পাত কেইখন চাই জীয়াই আছিল। সকলো মানুহৰে ভয়, নিজৰ প্ৰাণটোকে কেনেকৈ মহাবাহু ব্ৰহ্মপুত্ৰৰ পৰা ৰক্ষা কৰিব পাৰি। কিন্তু মাধৱৰ চিন্তা কেনেকৈ তাৰ তাচ পাত কেইখনক ব্ৰহ্মপুত্ৰৰ বাঢ়নি পানীৰ পৰা বচাব পাৰি। প্ৰায় এসপ্তাহ হ'ল। বানপানীৰ প্ৰকোপ কমা নাই। মাধৱে তাৰ তাচপাত কেইখনক এক মুহূৰ্তৰ বাবেও নিজৰ পৰা আঁতৰ হ'ব দিয়া নাই, যেন পানীয়ে উটুৱাই নিয়ে। সি এইকেইদিন পাগলৰ দৰে হৈছে। কাৰণ বানপানীৰ বাবে কোনেও তাৰ লগত তাচ খেলিব অহা নাই। তাচ খেলিব নোপোৱা বাবে বলিয়াৰ দৰে হৈ সি এবাৰ তাচৰ ফালে আৰু এবাৰ দুৱাৰ পালে চকু ফুৰাই। কোনোবা আহিলেই যেন তাৰ মৰমৰ তাচকেইপাত দেখুৱাই আহবান জনাব। ইফালে পানীৰ সোঁত বাঢ়িছে। কেনেবাকে তাৰ ঘৰটো সোঁতৰ মাজত থিয় দি আছে। সি অনুভৱ কৰিলে, কোনোবাই তাক মাতিছে— "আহ মাধৱ, আমি খেল আৰম্ভ কৰো।" সি বৰ নোৱাৰিলে। খেলৰ নিচাই তাক মাতিলে গ'লে দুৱাৰৰ ফালে। ইমানদিন বলিয়াৰ দৰে হৈ থকা মাধৱে কোনোবা অহাৰ আশাত দুৱাৰ খুলিলে। কিন্তু দুবাৰ খুলি সি মহাবাহু ব্ৰহ্মপুত্ৰ আৰু তাৰ সোঁতৰ তাণ্ডৱ লীলাৰ বাহিৰে আন একো দেখা নাপালে। সি তাৰ ভ্ৰম বুজি পাই শিল পৰা কপৌটো যেন হ'ল।

তাৰ হাতৰ পৰা তাচৰ টোপোলাটো পানীত সৰি পৰিল। সি দেখিলে ব্ৰহ্মপুত্ৰৰ প্ৰবল সোঁতত তাৰ মৰমৰ হিয়াৰ টুকুৰা যেন তাচৰ পাত উটি গৈছে। সি তাচৰ টুকুৰাকেইটাৰ পিছে পিছে দৌৰিবলৈ ধৰিলে। সি গৈয়ে থাকিল। মহাবাহুৰ প্ৰবল সোঁতত তাচপাতৰ লগতে মাধৱও অদৃশ্য হ'ল।

কোনেও নাজানে মাধৱৰ তাৰ পিছত কি হ'ল। কেৱল কিছুলোকে তাক ব্ৰহ্মপুত্ৰত দূৰৰ পৰা সাতুৰি থকা দেখিছিল। সকলোৱে ভাৱে সি তাচৰ সৈতে ব্ৰহ্মপুত্ৰৰ লগত মিলি শেষ হৈ গৈছিল।

নৈৰ বালিত খেলৰ নিচাত ডুব গৈ থকা মাধৱ নৈৰ বালিৰ দৰে ব্ৰহ্মপুত্ৰৰ বুকুত উটি গৈছিল। লগতে উটি গৈছিল নৈৰ বালিৰ মাজত থকা মৰীচিকা সদৃশ তাৰ মৰমৰ তাচপাত কেইখন ◼



# ইটো-সিটো অনুভৱ



**প্ৰণতী গোস্বামী**
জ্ঞানেন্দ্ৰ মল্ল বুজৰবৰুৱা হাইস্কুল, কেঁহেৰুৱা

বিনন্দীয়া পৃথিৱীৰ মোহনীয় কমনীয় চিৰ সেউজীয়া ৰূপ মানৱৰ চিৰন্তন প্ৰশান্তিৰ উৎস। পৰম কৰুণময়ী শ্যামলিমাৰ শান্তিময়, সুশীতল কোলাত উমলি জামলি মুকলি আকাশৰ তলত, চিৰমুক্ত পৰিবেশ মুক্ত মনেৰে, মুক্তভাবেৰে বিচৰণ কৰি মানৱে শান্তি লাভ কৰিছে। শ্যামলা প্ৰকৃতি মানৱৰ আজন্ম প্ৰশান্তিৰ নিলয়। সেউজৰ বুকুত মানুহৰো উদ্ভৱ আৰু বিলয়। মহাজীৱনৰো পাতনি এই শ্যামল অৰণ্য বুকুতেই।

কিন্তু মানৱৰ প্ৰশান্তিৰ শ্যামল নিলয়তো মাজে সময়ে বিপৰ্যয়ৰ সৃষ্টি হয়। কেতিয়াবা কেতিয়াবা শান্তিৰ প্ৰতীক এই বসুন্ধৰা হৈ পৰে অশ্ৰুশিক্ত। দুহাত প্ৰসাৰ কৰি সেউজী ধৰণীৰ বুকুত উমলি থকা মানৱ সমাজে অকনমান সহয়ৰ বাবে আৰ্তনাদ কৰি উঠিব লগা হয়। কোনে বাৰু সৃষ্টি কৰে এই পৰিবেশ।

এই পৰিবেশ সৃষ্টিকাৰী হৈছে দুৰ্যোগ। সাম্ভাব্য দুৰ্যোগৰ পৰা নিজৰ লগতে সমাজ তথা বিশ্ববাসীক মোকমিলা কৰিবৰ বাবে গ্ৰাম্য উন্নয়ন মঞ্চৰ তৰফৰ পৰা ২০১০ বৰ্ষত এক বিশেষ অভিযান আৰম্ভ কৰা হৈছে। "গ্ৰাম্য বিকাশ মঞ্চই" সমাজৰ মেৰুদণ্ড স্বৰূপ শিক্ষাগুৰুসকলৰ জড়িয়তে ছাত্ৰ-ছাত্ৰী তথা সমাজৰ মাজলৈ কঢ়িয়াই আনিব বিচাৰিছে এক শান্তিৰ বসুন্ধৰা। দুৰ্যোগ কি? দুৰ্যোগৰ ক্ষয় ক্ষতি ৰোধ; দুৰ্যোগ সজাগতা, দুৰ্যোগ অহাৰ আগত কৰণীয়, দুৰ্যোগ সময়ত কৰণীয় আৰু পিছত কি কৰিব লাগিব। ইত্যাদি বিভিন্ন দুৰ্যোগ সম্পৰ্কীয় আলোচনা শিক্ষণ-প্ৰশিক্ষণ আদিৰ কাৰণে G.V.M.এ এক দৃঢ় পদক্ষেপ আগবঢ়াইছে। সমাজত এক জাগৰণ অনাৰ বাবে G.V.M.এ শিক্ষক সমাজৰ জড়িয়তে বিদ্যালয়ৰ মজিয়ালৈ যি সজাগতা আনিছে সেয়া সচাঁকৈয়ে এক মহৎ কাৰ্য, যাক ইতিহাসৰ এক নতুন অধ্যায়ৰ সূচনা বুলি কব পাৰি। মোৰ অনুভূতি — যোৱা ১৭ মাৰ্চত চিলং চহৰত অৱস্থিত 'Rurel Resource and Training Centre' ত মই প্ৰথম বাৰৰ বাবে প্ৰশিক্ষণৰ বাবে যাওঁ। চিলং চহৰৰ প্ৰাকৃতিক পৰিবেশৰ মাজেৰে আমাক যিখিনি প্ৰশিক্ষণ দিলে সেয়া মই কেতিয়াওঁ পাহৰিব নোৱাৰো। পাহাৰ ভৈয়ামৰ মাজত প্ৰশিক্ষণৰ সময়চোৱাত শিলং পিক'ত উঠি প্ৰথমবাৰৰ বাবে জলবায়ুৰ পৰিবৰ্তন অনুভৱ কৰিছিলো। ইয়াৰ পাছতে এলিফেন্ট ফলটত গৈ জলপ্ৰপাতৰ জৰিয়তে উৎপন্ন কৰিব পৰা বিদ্যুৎ শক্তিৰ কথা মোৰ মনলৈ সুন্দৰভাৱে ভাহি আহে। ক্ষেত্ৰ অধ্যয়নত India Metrological Department ৰ অভিজ্ঞতাখিনি ছাত্ৰ-ছাত্ৰীক বুজোৱাৰ ক্ষেত্ৰত এক বিশেষ সমল হিচাপে লৈ আমি অহিছিলো পুনৰ G.V.M.লৈ।

বছৰৰ যোৱা প্ৰশিক্ষণৰ সময়ছোৱাত যোৱা ২৫/৯/২০১০ ইং তাৰিখৰ পৰা ২৬/৯/২০১০ তাৰিখলৈ গুৱাহাটী খাঘুলিত অৱস্থিত DBI ত DRR Resource Teaching শীৰ্ষক প্ৰশিক্ষণ অনুষ্ঠিত হয়।

উক্ত প্ৰশিক্ষণত G.V.M. ৰ দ্বাৰা প্ৰকাশিত "দুৰ্যোগৰ বিষয়ে জানো আহা", "সাৰথি", দুৰ্যোগৰ কৰ্মপুথি, ৰ জড়িয়তে T.L.M ৰ সহায়ত ছাত্ৰ-ছাত্ৰীৰ মানসিক , শাৰিৰীক স্থিতি, শক্তিশালী কৰা শুদ্ধ তথ্য সংগ্ৰহ কৰা, ভৱিষ্যতৰ পৰিকল্পনা কৰা , আদি বিষয়ত খৰছি মাৰি আলোচনা কৰা হয়।

এই আলোচনাৰ পৰা ছাত্ৰ সমাজৰ বৌদ্ধিক বিকাশৰ বাবে বহুতো সমল লৈ পুণৰ আমি উভতি আহিছিলো G.V.M. লৈ। G.V.M. ৰ দ্বাৰা পৰিচালিত প্ৰশিক্ষণসমূহৰ পৰা ভবিষ্যতৰ আমাৰ দুৰ্যোগৰে পূৰ্ণ পৃথিৱীখনক সজাগতাৰ জড়িয়তে কিছু পৰিমানে হলেওঁ ৰক্ষা কৰিব পৰা যাব। এয়া সম্ভৱ হব দেশৰ ধৰণীস্বৰূপ ছাত্ৰ-ছাত্ৰী সকলকলৈ। সেয়েহে শিক্ষকৰ জড়িয়তে বিদ্যালয়ৰ মজিয়ালৈ প্ৰেৰণ কৰা এই প্ৰচেষ্টাক সাফল্য মণ্ডিত কৰণৰ প্ৰয়াসেৰে .....।

# এটা ভূমিকম্পৰ আগজাননী



মহানন্দ পাঠক
মুৰব্বী অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ
বৰভাগ মহাবিদ্যালয়

ভূমিকম্প (Earthquake) ঃ

যুগ যুগ ধৰি ভূমিকম্পই মানুহৰ মনত শংকা, ভয়, অন্ধবিশ্বাস আদিৰ বাট মুকলি কৰি আহিছে। কাৰণ ই কেতিয়া আহে কোনেও নাজানে। ১৯৬০ চনৰ ফলক বিৱৰ্তন (Plate Tectonics) তত্ত্ব-তথ্য মতে ই পৃথিৱীৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ লগত জড়িত। বিশ্ব-দুৰ্যোগ প্ৰতিবেদন ২০০০ (World distr. Rep-2000) মতে আফ্ৰিকা, আমেৰিকা, ইউৰোপ, অষ্ট্ৰেলিয়া, এছিয়া আদি মহাদেশৰ ভিতৰত যোৱা শতিকাটোত এছিয়াৰ ভিতৰতে ভাৰবৰ্ষ এখন প্ৰাকৃতিক দুৰ্যোগ প্ৰৱণ দেশ হিচাপে পৰিগণিত হৈছে। কাৰণ, প্ৰতিবছৰে ইয়াৰ ৩৬ খন ৰাজ্যৰ ভিতৰত ২২ খন ৰাজ্যই বানপানী, ভূমিকম্প খৰাং, ঘূৰ্ণীবতাহ আদি দুৰ্যোগৰ কবলত পৰে। কুৰি শতিকাৰ আৰম্ভণিৰ পৰা এতিয়ালৈকে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত হোৱা উল্লেখযোগ্য ভূমিকম্পৰ লগতে তাৰ প্ৰাবল্য আৰু কেৱল মানুহৰ মৃত্যুৰ সংখ্যা এনে ধৰণৰ ঃ

| ঠাই | বছৰ (চন) | প্ৰাবল্য (ৰি. স্কেল) | মৃত্যু হোৱা মানুহৰ সংখ্যা |
|---|---|---|---|
| বিহাৰ, নেপাল | ১৯৩৮ | ৮.৩ | ১০,৬৫৩ জন |
| অসম | ১৯৫০ | ৮.৭ | ১,৫০০ জন |
| উত্তৰ কাশি | ১৯৯১ | ৬.০ | ১,৫০০ জন |
| মহাৰাষ্ট্ৰ (লাটুৰ) | ১৯৯৩ | ৬.৪ | ১০,০০০ জন |
| মাধ্যপ্ৰদেশ (জব্বলপুৰ) | ১৯৯৭ | ৬.৩ | ৩৪ জন |
| উত্তৰা খণ্ড (চামেলি) | ১৯৯৯ | ৬.৬ | ৭৫ জন |
| গুজৰাট | ২০০১ | ৭.৩ | ২০,০০০ জন |
| অসম, ভুটান | ২০০৯ | ৬.৩ | ১২ জন |

যোৱা শতিকাটোত কেৱল অসম তথা উত্তৰপূৰ্বাঞ্চলত ২৮ টা ডাঙৰ ভূমিকম্প হৈছিল। উল্লেযোগ্য যে ১৯৬০ চনত ২২মে' তাৰিখে দক্ষিণ আমেৰিকাৰ চিলিত ৯.৫ ৰিখটাৰ স্কেল প্ৰাবল্যত প্ৰবল ভূমিকম্প আহিছিল। এইটোৱেই আছিল পৃথিৱীৰ ভিতৰত হোৱা বৃহৎ প্ৰাবল্যৰ ভূমিকম্প। ইয়াৰ ফলত ৬হেজাৰ জন মানুহ মৃত্যু মুখত পৰিছিল।

উল্লেখযোগ্য যে ২০০৪ চনৰ ২৬ ডিচেম্বৰত ইণ্ডোনেছিয়া, থাইলেণ্ড, মালয়েছিয়া, মালদ্বীপ, ভাৰতবৰ্ষৰ আৰু শ্ৰীলংকাত ৮.৯ ৰিখটাৰ স্কেল প্ৰাবল্যৰ ভূমিকম্প হৈছিল। ইয়াৰ ফলত চুনামীৰ সৃষ্টি হৈছিল। গতিকে বৃহৎ যাত্ৰাত অহা ভূমিকম্পৰ ফলত ভূমিস্খলন, হিমপতন, ভূ-সংক্ষোভ ভূ-তৰলীকৰণ আদি হোৱা লগতে চুনামী (Tsunami) আৰু চাইখি (Seiche) অৰ্থাৎ জলকম্পনো হ'ব পাৰে।

আমেৰিকা বিজ্ঞানী ৰিখটাৰে উলিওৱা ৰিখটাৰ স্কেল (Richter Scale) ৬.০ ওপৰৰ প্ৰাবল্যত হোৱা ভূমিকম্পত হোৱা ভূমিস্খলনত পাহাৰ, টিলা আদি খহি বনবসতি অঞ্চলৰ লগতে কৃষিক্ষেত্ৰ (ঝুমখেতি-পথাৰ)ৰ ৰিস্তৰ ক্ষতি হয়। আনহাতে -ভূ-সংক্ষোভত কোনো অঞ্চল বহি গৈ-বিল, জলাশয় আদিৰ সৃষ্টি হয়। ভূমি তৰলীকৰণত কোনো স্থালৰ টান বা গোটা মাটি তৰল হৈ পৰে। ফলত মানুহৰ বসতি অঞ্চল লগতে পাহাৰ-পৰ্ব্বত তথা বাট-পথ বহি যায়। আটাইবোৰ ঘটনা বা পৰিঘটনাই পৰিৱেশৰ ওপৰত প্ৰভাৱ পেলাই চকুৰ পঁচাৰতে পৰিৱেশৰ বিপৰ্যয় সুচনা কৰে। ফলত জীৱ জগত দুৰ্দশাগ্ৰস্থ হয়। দেশৰ উন্নয়ন প্ৰক্ৰিয়া ব্যাহত

**চুনামী (Tsunami) ঃ**

চুনামী হ'ল এক মিশ্ৰিত (Miscellaneous) আকস্মিক আৰু বিধ্বংসী প্ৰাকৃতিক দুৰ্যোগ, যি মূলত ভূমিকম্পৰ ফলত সাগৰত (বৃহৎ ঢৌৰূপত) উৎপত্তি হয় আৰু ই মানুহক মানসিকভাৱে অতি উদ্বিগ্ন কৰি তুলিব পাৰে। **৮.৯ ৰিখটাৰ স্কেলত হোৱা ২০০৪চনৰ ভূমিকম্পৰ প্ৰভাৱত ভাৰত মহাসাগৰ আৰু বঙ্গোপ সাগৰত অতি ভয়ংকৰ ঢৌৰ সৃষ্টি হয় আৰু ই উপকুলীয়া অঞ্চলত নিমিষতে বিস্তৃত হৈ পৰে। ইয়াক চুনামী (Tsunami Tidal Wave) বুলি কোৱা হৈছিল। এই ঢৌ ৩০ ফুটৰ পৰা ৬০ ফুট পৰ্য্যন্ত ওপৰলৈ উঠি প্ৰতি মিনিটত ৩০ কিলোমিটাৰ বেগেৰে বিস্তৃত** হৈ উপকুলীয়া অঞ্চল বুৰাই পেলায়। **২০০৪ চনৰ চুনামী ইন্দোনেছীয়া, থাইলেণ্ড, ম্যানমাৰ, ভাৰতৰ পূব উপকূল, শ্ৰীলংকা, মালদ্বীপ আৰু ভাৰতৰ আন্দামান নিকোবৰ** দ্বীপপুঞ্জকে ধৰি মুঠ বাৰখন দেশৰ উপকূলীয়া অঞ্চলত চুনামীৰ ঢৌৱে মাত্ৰ কেইমিনিট মানৰ ভিতৰতে ঘৰ-দুৱাৰ ভাঙি, গছ-গছনি উভালি, মাটি খহাই হাজাৰ হাজাৰ জীৱজন্তুৰ লগতে কেৱল ভাৰতবৰ্ষতে ১০,০১২ জন মানুহৰ মৃত্যু ঘটায় আৰু ২৬২৪জন গৃহহাৰা হৈ চুনামীৰ ঢৌত হেৰাই যায়। মানৱ ইতিহাসত এনে ধৰণৰ চুনামীৰ প্ৰলয় অতি বিৰল।

[এনে দুৰ্যোগৰ পূৰ্ব প্ৰস্তুতি সম্পৰ্কত (চুনামীৰ বিষয়ে) কিছু কথা জনা দৰকাৰ এয়াৰ বাবে বহুতো প্ৰাণ ৰক্ষা পৰিব পাৰে। উদাহৰণ স্বৰূপে, টিলী স্মিথ (Till Smith) নামৰ মাত্ৰ ১০ বছৰীয়া বৃটিছ ছোৱালী এজনীয়ে থাইলেণ্ড ভ্ৰমণ কৰা অৱস্থাত ২০০৪ চনত থাইলেণ্ডত চুনামী হোৱাৰ উমান পাই বিধ্বংসী চুনামী বিষয়ে সতৰ্ক কৰি দি তেওঁৰ পৰিয়ালৰ লগতে বহুতো লোকৰ প্ৰাণ ৰক্ষা কৰে। ]

**চাইখি** (Seiche) ঃ

ভূমিকম্প হৈ যোৱাৰ ঠিক কেইমিনিটমান পিছতে চাইখি অৰ্থাৎ জলকম্পন হ'ব পাৰে। ৭.০ৰিখটাৰ স্কেলত ভূমিকম্পত নিৰ্দিষ্ট দূৰত্বত থকা হ্ৰদ বা জলধাৰত বা পুখুৰীত জলকম্পন দেখা যায়। যিমানে ভূমিকম্পৰ প্ৰাবল্য বেছি হয়, সিমানে জলকম্পন বেছি হয়। কিয়নো ভূমিকম্পৰ সময়ত উৎপত্তি হোৱা $L_{ong}$ আৱদ্ধ অনুপ্ৰস্থ তৰংগ, $S_{econday}$ অন্তঃস্থলৰ অনুপ্ৰস্থ তৰংগ আৰু $P_{raemary}$ অনুদৈৰ্ঘ তৰংগৰ উপৰিও R - পৃষ্ঠ তৰংগৰ সৃষ্টি হয়, যাক (Rayleigh wave) ৰেলেতৰংগ বুলি কোৱা হয়। এই ৰেল তৰগই ভূ-পৃষ্ঠৰ ওপৰেদি চাৰিওফালে গতি কৰে, আৰু ইয়াৰ ফলত পূৰ্ণ হ্ৰদ বা পুখুৰীৰ পানী উপচি পৰা পৰিলক্ষিত হয়। কিন্তু ই অকৌ এটা ভূমিকম্পৰ আগজাননী নহয়। ভূমিকম্পৰ আগজাননী দিবলৈ হ'লে তিনিটা প্ৰশ্নৰ উত্তৰ সঠিক কৈ দিব পাৰিব লাগিব। যেনে—

(ক) আহিব লগা ভূমিকম্পটো কোন স্থানত হ'ব। অৰ্থাৎ ক'ত হ'ব।

(খ) ভূমিকম্পটো কেতিয়া হ'ব আৰু

(গ) ভূমিকম্পটো কিমান ডাঙৰ হ'ব।

ইতিমধ্যে এনে প্ৰশ্নৰ উত্তৰ দিবৰ বাবে ( কেতবোৰ বা কিছুমান চিহ্ন বা সংকেত আৱিস্কৃত হৈছে যি বিলাকৰে ভূমিকম্প অহাৰ বহু আগতে ধৰা পেলোৱাটো সম্ভৱ হ'ব পাৰে। (earthquake precersors) বা আগজাননী বুলি অভিহিত কৰা হৈছে। এই ক্ষেত্ৰত জি. পি. এছ. (Global positioning system : GPS) প্ৰয়োগ অপৰিহাৰ্য্য।

*উৎস ঃ বিশ্বকোষ, প্ৰথম খণ্ড (অসম সাহিত্য সভা)*

# মতামত

যোৱা বৰ্ষৰ আগষ্ট মাহৰ পৰা আৰম্ভ কৰা দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমনৰ কৌশল আৰু পদ্ধতিসমূহৰ উন্নয়ন আৰু শক্তিশালী কৰণ প্ৰকল্প অসমৰ অধীনত ৪০ খন চৰকাৰী আৰু ৭ খন বেচৰকাৰী বিদ্যালয়ৰ লগতে আগৰ প্ৰকল্প ৪০ খন বিদ্যালয়ত প্ৰকল্প ৰূপায়নৰ সময় ছোৱাত কোন দিশত কেনেধৰণৰ পৰিবৰ্তন হ'ল সেই সম্পৰ্কে আমি বিভিন্ন জনক তিনিটা প্ৰশ্ন কৰিছিলো। তেখেতসকলৰ মতামত সমূহ সম্পাদনা নকৰাকৈ আমি প্ৰকাশ কৰিলো। শিতানটি প্ৰস্তুত কৰাত সহায় কৰা বাবে গ্ৰাম্য বিকাশ মঞ্চৰ স্বেচ্চাসেৱক অৰূপ, মজাম্মিল, দিলীপ, আৰু বিপুল দাক ধন্যবাদ জনালো।

**প্ৰদীপ মহন্ত**

**ঃ প্ৰশ্নাৱলী ঃ**

১। PSDRR শীৰ্ষক দুৰ্যোগ সম্পৰ্কীয় প্ৰকল্পটো আপোনাৰ বিদ্যালয়ত আৰম্ভ কৰাৰ আগত আৰু বৰ্ত্তমান কেনে ধৰণৰ পৰিবৰ্ত্তন হোৱা আপুনি লক্ষ্য কৰিছে?

২। PSDRR প্ৰকল্পটোৰ আপোনালোকৰ বিদ্যালয়ৰ পৰা কি কি কাৰ্য্যসূচীৰ অংশ গ্ৰহণ কৰিছে?

৩। ভৱিষ্যতে এই প্ৰকল্পৰ বিষয়ৰ লগত সংগতি থকা কেনে ধৰণৰ কাৰ্য্যসূচী আপোনালোকৰ বিদ্যালয়ত বুলি আপোনালোকে পৰিকল্পনা কৰিছে।



**ভাগ্যশ্ৰী চক্ৰৱৰ্ত্তী**
দশম শ্ৰেণী,
বৰভাগ ছোৱালী হাইস্কুল , মৌৰা

১। PSDRR প্ৰকল্পটো আমাৰ স্কুলত আৰম্ভ হোৱাৰ আগতে আমি প্ৰাকৃতিক দুৰ্যোগ সম্পৰ্কে একেবাৰে অজ্ঞ আছিলো আৰু ইয়াক প্ৰশমনৰ বাবে কি ব্যৱস্থা লব লাগে আমি সেই বিষয়ে জ্ঞাত নাছিলো।

কিন্তু যেতিয়াৰ পৰা আমাৰ বিদ্যালয়ত G.V.M. জৰিয়তে PSDRR আচনিখন ৰূপায়ন কৰা হয় তেতিয়াৰ পৰা আমি দুৰ্যোগ নো কি? ইয়াৰ ভয়াৱসতা সম্পৰ্কে কিছু পৰিমানে জ্ঞান আহৰণ কৰো আৰু এই দুৰ্যোগ কেনেদৰে প্ৰশমন বা ইয়াৰ ক্ষয়-ক্ষতি হ্ৰাস কৰিব পাৰি সেই বিষয়ে জ্ঞাত হও লগতে আমাৰ অভিভাৱক সকলো সজাগ হয়।

আমাৰ স্কুলত হোৱা আলোচনা চক্ৰ আৰু প্ৰশিক্ষণ মূলক কাৰ্য্যসূচী সমূহৰ জৰিয়তে আমি ছাত্ৰ-ছাত্ৰী সকল উপকৃত হৈছে আৰু লগতে এই বিষয়ে আগ্ৰহী হৈছে।

২। এই PSDRR প্ৰকল্পটোৰ জৰিয়তে গ্ৰাম্য বিকাশ মঞ্চই কৰা বিভিন্ন কাৰ্য্যসূচীত আমি স্কুলৰ হৈ অংশগ্ৰহণ কৰো।

(ক) দুৰ্যোগ বিষয়ৰ সজাগতা মুলক প্ৰতিযোগীতা।
(খ) দুৰ্যোগ উদ্ধাৰকাৰী প্ৰতিযোগীতা
(গ) মানৱশৃংখলা আৰু দুৰ্দশাগ্ৰস্থ ব্যক্তিক সহায় কৰাৰ প্ৰদৰ্শন মূলক অনুষ্ঠানত অংশগ্ৰহণ।
(ঘ) ৰচনা প্ৰতিযোগীতা অংশগ্ৰহণ।
(ঙ) আলোচনী সুৰক্ষাবাৰ্তালৈ কবিতা প্ৰেৰণ।

৩। উপৰোক্ত পৰিবৰ্ত্তনসমূহলৈ লক্ষ্য কৰি আমাৰ বিদ্যালয়ত ভৱিষ্যতে উন্নত প্ৰশিক্ষকৰ দ্বাৰা মানস কৰিছো।



**বিজুলী দেৱী**
শিক্ষয়িত্ৰী, বৰভাগ ছোৱালী হাইস্কুল

১। PSDRR প্ৰকল্পটো আৰম্ভ হোৱাৰ আগত আমাৰ বিদ্যালয়ৰ ছাত্ৰীসকলৰ দুৰ্যোগৰ সম্পৰ্কত প্ৰশমনৰ জ্ঞান আছিল নগন্য আৰু সেয়াও গুৰুত্ব সহকাৰে লোৱা নাছিল। এইটো এটা বিশেষ মনোযোগ দিব লগা বিষয় হিচাপে গণ্য কৰা হোৱা নাছিল।

এইটো প্ৰকৃতিৰ এটা নিয়ম সমাজৰ ইয়াত কোনো হাত নাই। অৰ্থাৎ দুৰ্যোগ মানুহক প্ৰকৃতিয়ে জাপি দিয়া এক অভিশাপ হিচাপে অভিভাৱক বিলাকৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে জানিছিল। এই দুৰ্যোগৰ ফলত হোৱা ক্ষয়-ক্ষতি যে আমি হ্ৰাস কৰিব পাৰো সেই বিষয়ে অজ্ঞাত আছিল।

মনকৰিবলগীয়া কথা এইটো যে GVMৰ জৰিয়তে আমাৰ বিদ্যালয়ত যেতিয়াৰ পৰা PSDRR আচনিখন কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰে তেতিয়াৰ ফৰা ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অভিভাৱক আৰু ওচৰ চুবুৰীয়াসকলো এই ক্ষেত্ৰত সচেতন হৈছে আৰু কৰ্মশালাসমূহত অংশ গ্ৰহণৰ বাবে আগ্ৰহী হোৱা দেখা গৈছে। তদুপৰি সুৰক্ষিত হিচাপে চিহ্নিত ঠাই, প্ৰাকৃতিক দুৰ্যোগত সহায় কৰিব পৰা সজুলি সমূহৰ প্ৰদৰ্শন আৰু প্ৰশিক্ষন, দুৰ্য্যোগৰ পিছৰ ছাত্ৰ-ছাত্ৰীসকলে সাধাৰণ আঘাট প্ৰাপ্ত মানুহক প্ৰাথমিক চিকিৎসাৰ দ্বাৰা সহায় হাত আগবঢ়োৱাতো পৰিলক্ষিত হৈছে।

২। এই প্ৰকল্পটো কাৰ্য্যকৰি কৰাৰ, ক্ষেত্ৰত GVMৰ জৰিয়তে হোৱা নিম্নলিখিত কাৰ্য্যসূচী সমূহত আমাৰ বিদ্যালয়ৰ পৰা অংশ গ্ৰহণ কৰে—

(ক) দুৰ্যোগ বিষয়ৰ প্ৰজাগতা শিবিৰ।

(খ) দুৰ্যোগক পাঠ্য পুথিৰ অন্তভূক্তিৰ কৰ্মশালা। (ৰাজমন্ত্ৰীৰ পেক্ষাগৃহ, দিছপুৰ)।

(গ) দুযোগ সাহাৰ্য্য পুজিৰ অধিনত বিদ্যালয়সমূহৰ GVM ৰ ৰিপোৰ্টৰ ওপৰত হোৱা পৰ্য্যালোচনা।

(ঘ) দুৰ্যোগ সম্পৰ্কীয় আলোচনা।

(ঙ) ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকলৰ মাজত সজাগতা আৰু জন-জাগৰণৰ বাবে অনুস্থিত মানব শৃংখল আৰু দুৰ্যোগৰ পিছত দুৰ্দশাগ্ৰস্তক সহায় কৰাৰ প্ৰদৰ্শনমূলক অনুস্থান।

(চ) দুৰ্যোগ ব্যৱস্থাপনাৰ অধিনত সংবাদ মাধ্যমৰ কৰ্মশালা।

(ছ) দুৰ্যোগৰ ওপৰত ভিত্তি কৰি অনুস্থিত কৰা বিভিন্ন প্ৰতিযোগিতাৰ বত বিতৰণী অনুস্থান (বৰবৰী)


(জ) দুৰ্যোগ বিষয়ক তৰ্ক প্ৰতিযোগিতা (বৰভাগ হাইস্কুল)।

(ঝ) ৰচনা প্ৰতিযোগিতাত অংশ গ্ৰহণ।

(ঞ) দুৰ্যোগ ব্যৱস্থাপনাৰ অধীনত GVM ৰ ওপৰত হোৱা কৰ্মশালা।

৩ নং — ওপৰোক্ত পৰিবৰ্ত্তন সমূহলৈ লক্ষ কৰি আমাৰ বিদ্যালয়ত ভবিষ্যতে আৰু অধিক উন্নত আৰু প্ৰশিক্ষন প্ৰাপ্ত প্ৰশিক্ষকৰ দ্বাৰা দুৰ্যোগৰ লগত সংগতি ৰাখি নতুন পৰিকল্পনা কৰাৰ প্ৰয়াস কৰিছো।

এই বিষত আমাৰ স্থানীয় চেস্বাসেৱী সংগঠন GVM ৰ জৰিয়তে এই সম্পৰ্কে বিভিন্ন কাৰ্য্যকৰি ব্যৱস্থা লোৱাৰ পৰিকল্পনা কৰিছো।



ক্ষিতীশ কুমাৰ কাকতি
প্ৰধান শিক্ষক
বনভাগ খাতা দিহজাৰী হাইস্কুল

১। PSDRR শীৰ্ষক দুৰ্যোগ সম্পৰ্কীয় প্ৰকল্পটো আমাৰ বিদ্যালয়ত আৰম্ভ কৰাৰ আগত প্ৰকৃতিৰ দ্বাৰা সংঘটিত দুৰ্যোগৰ পৰা যিবোৰ বিপদ আহিব পাৰে সেইবোৰৰ পৰা কেনেধৰণৰ সাবধানতা অবলম্বন কৰিলে তাৰ ক্ষয় ক্ষতিৰ পৰিমানে কমাব পাৰি এই বিষয়ে ছাত্ৰ-ছাত্ৰী তথা শিক্ষকসকলৰ বিশেষ অভিজ্ঞতা নাছিল। অসম তথা উত্তৰ পূব ভাৰত বিশ্বৰ অতি বেছি দুৰ্যোগ প্ৰবণ অঞ্চল সমূহৰ অন্তৰ্গত এটি অঞ্চল। এই অঞ্চলটো যে Zone-5 ত অৱস্থিত তাক যিকোনো সময়ত ভূমিকম্প হ'ব পাৰে — এই বিষয়ে বেছি ভাগেই জ্ঞাত নাছিল।

কিন্তু গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোক্তাসকল বিভিন্ন সময়ত দুৰ্যোগৰ ক্ষয় ক্ষতি আশংকা প্ৰশমনৰ কৌশল তাক পদ্ধতি সমূহৰ প্ৰশিক্ষণ দিয়াৰ পিছত কিছু অভিজ্ঞতা আয়ত্ব আহিছে লগতে School Disaster Management Committee তাক Hazard Safety cadet crop গঠন কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষকসকলও দুৰ্যোগৰ লগত মোকবিলা কৰাত যথেষ্ট সজাগ হোৱা পৰিলক্ষিত হৈছে।

২। গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগত বিভিন্ন সময়ত অনুষ্ঠিত হোৱা কৰ্য্যসূচীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু Resource person সকলে অংশ গ্ৰহণ কৰিছে। আমাৰ বিদ্যলয়ৰ ছাত্ৰ-ছাত্ৰীসকলে PSDRR প্ৰকল্পৰ অধীনত হোৱা উদ্ধাৰ আৰু সাহৰ্য্য প্ৰশিক্ষণত অংশ গ্ৰহণ কৰে। বৰবৰীত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন দিৱসৰ মানৱ শৃংখলাত যোগদান কৰে। ইয়াৰ উপৰি ইং ২০/০২/২০১০তাৰিখে গ্ৰাম্য বিকাশ মঞ্চ (বৰবৰী)ত অনুষ্ঠিত হোৱা শিক্ষানুষ্ঠানৰ মাধ্যমত দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আংশকা ৰ প্ৰশমন প্ৰকল্প।

ইং ১৭/০৩/২০১০ ৰ পৰা ১৯/০৩/২০১০ লৈ মেঘালয়ত অনুষ্ঠিত হোৱা Promoting and Strengthening D.R.R. Stratagies and Mechanism in Assam.

ইং ২০/০৬/২০১০ ত Boco Rechout Training Centre (Guwahati) ত অনুষ্ঠিত হোৱা Main streaming Disa bility in Disaster Risk Reduction.

ইং ১৮/০৯/২০১০ ত নলবাৰীৰ হোটেল বৰদৈচিলাতে অনুষ্ঠিত হোৱা District level Dissemination work Shop ত।

ইং ১৯/০৯/২০১০ ত গ্ৰাম্য বিকাশ মঞ্চৰ অধীনত হোৱা TOT on D.R.R. among volunteers.

ইং ২৫ আৰু ২৬ ছেপ্তেম্বৰত Don Bosco Management Institute' ত Training of teachers (TOT) Teaching learning Material development ৰ ওপৰত হোৱা শিক্ষনসমূহত যোগদান কৰা হয়।

৩। ছাত্ৰ আৰু সমাজৰ সকলো শ্ৰেণীৰ মানুহক জড়িত কৰাৰ বাবে পূজা উৎসৱ, গাৱলীয়া সামাজিক উৎসৱত দুৰ্যোগৰ বাৰ্তাবোৰ বাখ্যা দাঙি ধৰা আৰু দুৰ্যোগৰ সজাগতাৰ ওপৰত আলোচনা চক্ৰ অনুষ্ঠিত কৰা প্ৰয়াস কৰা হ'ব।

বিদ্যালয় সপ্তাহত দুৰ্যোগ সম্পৰ্কীয় কুইজ প্ৰতিযোগিতাৰ ব্যৱস্থা লোৱা হ'ব।

গ্ৰাম্য বিকাশ মঞ্চ দ্বাৰা প্ৰদত্ত 'কৱচ' নামৰ ৰাস মেগাজিনৰ বাকচত দুৰ্যোগ সম্পৰ্কীয় ছবি আৰু প্ৰবন্ধ ছাত্ৰ-ছাত্ৰী তাক শিক্ষকৰ দ্বাৰা প্ৰস্তুত কৰি প্ৰকাশ কৰা হ'ব।

Hazard Safety cadet Cropk ৰদ্বাৰা এমাহৰ মূৰে মূৰে সুবিধা অনুযায়ী দুৰ্যোগ ব্যৱস্থাৰ ওপৰত Mock-drill চলাই থকা হ'ব




**সুশান্ত দাস**
প্ৰধান আচাৰ্য্য
শংকৰদেৱ শিশু বিদ্যা নিকেতন, বৰভাগ


১। PSDRR শীৰ্ষক দুৰ্যোগ সম্পৰ্কীয় প্ৰকল্পটো আমাৰ বিদ্যালয় অৰ্থাৎ শংকৰদেৱ শিশু বিদ্যা নিকেতন বৰভাগত আৰম্ভকৰাৰ আগতে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে কেৱল পাঠ্যপুথিৰ অন্তৰ্গত দুৰ্যোগ সম্পৰ্কীয় এটা মাথো ধাৰণাহে পাইছিল; কিন্তু এই প্ৰকল্পটো আৰম্ভ কৰি (GVM ৰ তৰফৰ পৰা PSDRR প্ৰকল্পৰ অধীনত) আমাৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক গোটেও জড়িত হৈ দুৰ্যোগ সম্পৰ্কীয় জ্ঞান লাভ কৰে। ইয়াৰ দ্বাৰা দুৰ্যোগ সম্বন্ধে অতি সজাগতা বৃদ্ধি হোৱা বুলি পৰিলক্ষিত হয়। ইয়াৰ সজাগতা বৃদ্ধি হোৱা বুলি পৰিলক্ষিত নিজ-গৃহৰ মানুহ বিলাকৰো দুৰ্যোগ সম্পৰ্কীয় সচেতনা বৃদ্ধি পাইছে।

২। আমাৰ বিদ্যালয়ৰ পৰা বিভিন্ন শিক্ষকে G.V.M.ৰ দ্বাৰা পৰিচালিত PSDRR প্ৰকল্পটোৰ অধীনত বিভিন্ন কৰ্মশালা সজাগতা অভিযান আৰু দুৰ্যোগ সম্পৰ্কীয় সভা আদিত অংশ গ্ৰহণ কৰি এই সম্পৰ্কে জ্ঞান লাভ কৰিছে। তাৰোপৰি ছাত্ৰ-ছাত্ৰীসকলে Workshop on cartoon & Comics, quize ৰচনা প্ৰতিযোগিতা, প্ৰকল্পৰ অন্তৰ্গত ঠাই ভ্ৰমন আদি কাৰ্য সূচীত অংশগ্ৰহণ কৰিছে তথা এই সম্পৰ্কে জ্ঞান তথা তথ্য লাভ কৰি সজাগতা অভিযানৰ সাফল্য মণ্ডিত কৰিছে।

৩। ভৱিষ্যতে এই প্ৰকল্পৰ বিষয়ৰ লগত সঙ্গতি ৰাখি বিভিন্ন প্ৰতিযোগিতা কাৰ্য্যসূচী যেনে, কুইজ, আকস্মিক বক্তৃতা, চিত্ৰাংকন প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা বাবে পৰিকল্পনা কৰিছে আৰু এই বিষয়টোৰ লগত সঙ্গতি ৰাখি ছাত্ৰ-ছাত্ৰীক হাতে কামে জড়িত কৰি দুৰ্যোগ সম্পৰ্কীয় জ্ঞান দিয়াৰ বাবে পৰিকল্পনা কৰিছোঁ। এই ক্ষেত্ৰত বিদ্যালয়ৰ শিক্ষক গোটেৰ পৰা আদি কৰি আমাৰ বিদ্যালয়ৰ পৰিচালনা সমিতিয়ে আমাক সহায় আগবঢ়াব বুলিও প্ৰতিশ্ৰুতি দিয়ে।




**তিলক কলিতা**
সভাপতি
বৰভাগ আঞ্চলিক পঞ্চায়ত


১। মোৰ মতে ছাত্ৰ-ছাত্ৰীৰ লগতে ৰাইজেও দুৰ্যোগ সম্পৰ্কে আগতে ইমান সজাগ নাছিল কিন্তু এই প্ৰকল্পটি ৰূপায়ন কৰাৰ পাছত ছাত্ৰ-ছাত্ৰী, শিক্ষকৰ লগতে এই অঞ্চলৰ ৰাইজেও দুৰ্যোগ সম্পৰ্কে সজাগ হোৱাৰ উপৰিও মোকাবিলা কৰাৰ বাবে সাজু হৈছে। গাঁৱে গাঁৱে গণবন্ধু নামৰ স্বেচ্ছাসেৱকৰ দলটোৱে আমাৰ পঞ্চায়তৰ অন্তৰগত ঠাই সমূহক বিভিন্ন প্ৰশিক্ষণ দিছে।

২। ব্যাক্তিগত ভাৱে মই বহু কেইখন সভা, কৰ্মশালা আৰু আলোচনা চক্ৰৰ ভাগ লৈছো। তাৰ

ভিতৰত বিদ্যালয় সমূহ উন্নয়ন কৰাৰ সভা, জিলা ভিত্তিত পঞ্চায়ত কৰ্মীৰ লগত সভা উল্লেখ কৰিব পাৰো।


৩। আমাৰ পঞ্চায়তে ইতিমধ্যে গ্ৰাম্য বিকাশ মঞ্চ প্ৰস্তুত কৰা পি. ভি. এ. ৰিপৰ্টৰ আৰ্হিত বহুকেইখন গাঁওত ৰাইজৰ সহযোগত নিয়োগ নিশ্চিত আইনৰ জৰিয়তে কামৰ আচনি হাতত লৈছো। ইতিমধ্যে এনে বহুকেইখন আচনি সফল ভাৱে ৰূপায়িত হৈ গৈছে, ভবিষ্যতে এনে আচনি লোৱা হব।

**চাহ আলম আহমেদ**
সংবাদ দাতা, নলবাৰী

১। অসমৰ অন্যতম আগশাৰীৰ স্বেচ্চাসেৱী অনুষ্ঠান গ্ৰাম্য বিকাশ মঞ্চই ৰূপায়িত কৰা এই প্ৰকল্পই নলবাৰী জিলাৰ মুঠ ৮৭ খন বিদ্যালয়ৰ লগতে ৰাইজকো এক নতুন দিশৰ সন্ধান দিছে। যি দিশত ৰাইজ সংকত মুক্ত হ'ব, দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকাৰ পৰাও মুক্ত হ'ব।

২। মই এই প্ৰকল্পৰ অন্তৰ্গত গুৱাহাটীস্থ লেগু মাৰ্ক, প্ৰগতি মেনৰ হোটেল আৰু অসম চৰকাৰৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগ মন্ত্ৰী সভা কক্ষত হোৱা সভা আৰু নলবাৰী, বৰবৰীত হোৱা বিভিন্ন কৰ্মশালা, প্ৰশিক্ষণ আদিত ভাগলৈছো।

৩ এজন সংবাদ কৰ্মীহিচাপে এই দিশত বিভিন্ন লিখনিৰ জৰিয়তে ৰাইজক সজাগ কৰাৰ পৰিকল্পনা ইতিমধ্যে আমি যুগুত কৰিছো। ইতিমধ্যে আমি নলবাৰী জিলা সাংবাদিক সন্থা আৰু গ্ৰাম্য বিকাশ মঞ্চই যুটীয়া ভাৱে বহুকেইখন কৰ্মশালাও অনুষ্ঠিত কৰিছো।



# দু-আষাৰ .....

**আনিছ উজ জামান**
প্ৰকল্প অভিযন্তা, সৰ্বশিক্ষা অভিযান, অসম

PSDRR প্ৰকল্পৰ অন্তৰ্গত হিচাপে প্ৰকল্পৰ অন্তভূক্ত কিছুমান বিদ্যালয়ৰ বিদ্যালয় গৃহ, চৌপাশৰ অন্তঃ গাথনি সুবিধাৰ সুদৃহ কৰাৰ বাবে বিভিন্ন পদক্ষেপ হাতত লোৱা হৈছিল। পাৰ্থক্যটো এই যে এই কাম সমূহ ৰূপায়ন কৰাৰ বাবে তৃণমূল পৰ্য্যায়ৰ পৰা অৰ্থত বিদ্যালয়ৰ অন্তৰ্গত ৰাইজৰ দ্বাৰা পি. ভি. এৰ জড়িয়তে এই কামবোৰৰ দাবী সমূহ বাচনি কৰা হৈছিল। পৰবৰ্ত্তী পৰ্য্যায়ত বিদ্যালয় সমূহত কামখিনি কৰাৰ বাবে কাৰীকৰি অভিযন্তাৰ দ্বাৰা পৰ্যাবেক্ষন কৰি প্ৰাক-কলম প্ৰস্তুত কৰা হৈছিল আৰু ইয়াত সৰ্বশিক্ষা অভিযান অসমৰ বহুকেইজন অভিযন্তাই সহায়-সহযোগ কৰিছিল।

সৰ্ব শিক্ষা অভিযানৰ কাৰীকৰি ভাৱে জড়িত ব্যক্তি হিচাপে মোৰ দৃষ্টিত প্ৰকল্পৰ জড়িতে ৰূপায়িত প্ৰতিটো কামে ৰাইজে বিচৰা ধৰণে কাৰ্যকৰী কৰা হৈছে। এই কামসমূহৰ দ্বাৰা যে বিদ্যালয়ত হব পৰা সাম্ভাব্য দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ পৰা কিছু হলেওঁ ৰক্ষা পৰিব সেইটো নিশ্চিত ভাৱে কব পাৰি।




যোৱা ৩০ অক্টোবৰ ২০১০ ত অসমৰ বিভিন্ন ঠাইৰ কুটাঘাটকাৰীয়ে বোমা বিষ্ফোৰণ ঘটাই বহুতো পৰিয়াললৈ দুৰ্যোগ নমাই আনিলে, তাৰেই প্ৰতিবাদত উকা থাকিল এই সংখ্যাৰ সম্পাদকীয়....




# "অসাৱধানতাৰ ফল"




**শ্ৰীউৎপল ডেকা**
বি. আৰ. মেধি উচ্চতৰ মাধ্যামিক বিদ্যালয়




# ৰেল দুৰ্ঘটনা




**শ্ৰীমৃনাল কলিতা**
বি. আৰ. মেধি উচ্চতৰ মাধ্যামিক বিদ্যালয়

# ৰিতু, জিতু




**মঃ আছিফ ইকবাল হুছেইন**
পূৱেৰুণ জাতীয় বিদ্যালয়

# উভতি চাওঁ.....

প্ৰস্তুতকৰ্তা ঃ প্ৰদীপ মহন্ত





সাংবাদিকৰ সৈতে কৰ্মশালা



শিক্ষকৰ সৈতে কৰ্মশালা




বিভিন্ন সংঘ, সন্থাৰ সৈতে



চৰকাৰৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ সৈতে



ৰাইজৰ সৈতে P.V.A. প্ৰস্তুতি



ৰাইজৰ সৈতে P.V.A. প্ৰস্তুতি

# উভতি চাওঁ.....



প্ৰস্তুতকৰ্তা ঃ প্ৰদীপ মহন্ত



ৰাইজৰ সৈতে P.V.A. প্ৰস্তুতি




ৰাইজৰ সৈতে P.V.A. প্ৰস্তুতি



ছাত্ৰ-ছাত্ৰী সৈতে P.V.A. প্ৰস্তুতি



ছাত্ৰ-ছাত্ৰী সৈতে P.V.A. প্ৰস্তুতি



গণবন্ধুৰ সৈতে কৰ্মশালা



ছাত্ৰ-ছাত্ৰীৰ প্ৰশিক্ষণ


# উভতি চাওঁ.....

প্ৰস্তুতকৰ্তা ঃ প্ৰদীপ মহন্ত





স্বেচ্ছাসেৱকৰ প্ৰশিক্ষণ




বিদ্যালয় গৃহ আৰু চৌহদ মেৰামতিৰ বাবে সভা



উন্নয়ন মূলক কাম



ৰাইজৰ সৈতে সভা




অভিযন্তাসকলৰ সৈতে




স্বেচ্ছাসেৱকৰ সৈতে

# উভতি চাওঁ.....

প্ৰস্তুতকৰ্তা ঃ প্ৰদীপ মহন্ত




ছাত্ৰ-ছাত্ৰীৰ প্ৰশিক্ষণ



বিদ্যালয়ৰ চৌহদৰ উন্নতি



বিদ্যালয়ৰ চৌহদৰ উন্নতি



বিদ্যালয়ৰ চৌহদৰ উন্নতি



বিদ্যালয়ৰ চৌহদৰ উন্নতি



বিদ্যালয়ৰ চৌহদৰ উন্নতি

## এবাৰ ভাৱক ?

## মই ভেকুলীয়ে টোৰটোৰালো...

অংকন

**শ্ৰী মৌচুমী ডেকা**

'নতুন দিশ' কাৰ্টুন ক্লাব, নলবাৰী

এখন গাওঁত ৰণ আৰু মন নামৰ দুজন বন্ধু আছিল। সিহঁতৰ গাৱত যোৱা কেইবছৰমানৰ পৰা বৰষুণ নাই বাবে খেতি ভাল হোৱা নাই।



এদিনাখনৰ কথা। দুয়ো পুখুৰীত বৰশী বাই আছিল.................




তাৰ পিছত দুয়ো গৈ ক'কাক কথাখিনি ক'লে-




কিছুদিনৰ পিছত বৰষুণ হ'ল আৰু গাওঁখন পুনৰাই শস্য শ্যামল হৈ উঠিল।



## প্ৰকল্প সমন্বয়কৰ মেজৰ পৰা

একচনএইডে DIPECHOৰ অৰ্থ সাহাৰ্য্যত গ্ৰাম্য বিকাশ মঞ্চৰ দ্বাৰা দুৰ্যোগৰ বিষয়ে সমাজত সচেতনতা অনা, ক্ষয়-ক্ষতি কমোৱাৰ চেষ্টা কৰা, জনসাধাৰণক প্ৰশিক্ষিত কৰাৰ বাবে এই প্ৰকল্পটি নলবাৰী জিলাত ৪০ খন বিদ্যালয়ক সামৰি হাতত লোৱা হৈছিল। যোৱা বছৰত ছাত্ৰ-ছাত্ৰী, শিক্ষক, বিদ্যালয়ৰ দাতিকাশৰীয়া ৰাইজকলৈ বিভিন্ন প্ৰশিক্ষণ, কৰ্মশালা, প্ৰতিযোগীতা আদি আয়োজন কৰা হৈছিল। ইতিমধ্যে প্ৰকল্পৰ অন্তৰ্গত প্ৰতিখন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলক প্ৰাথমিক চিকিৎসা, উদ্ধাৰ আৰু সাহাৰ্যৰ কাৰ্যৰ প্ৰশিক্ষণ দিয়া হৈছে। ইয়াৰে ৬ খন বিদ্যালয়ত HAZARD SAFETY CADET CORP নামেৰে একোটা প্ৰশিক্ষিত দল গঠন কৰা হৈছে। আনহাতে গাওঁসমূহত বিভিন্ন দুৰ্যোগত সহায় কৰাৰ বাবে COMMUNITY LIFE GUARD নামেৰে দুটা যুৱক-যুৱতীৰ অৰ্ন্তভুক্তিৰে প্ৰশিক্ষিত দল সাজু কৰা হৈছে। বিদ্যালয়সমূহত দুৰ্যোগৰ সময়ত ব্যৱহাৰ কৰা সামগ্ৰীৰ একোটা বাকচ, প্ৰাথমিক চিকিৎসাৰ একোটা টোপোলা প্ৰদান কৰা হৈছে। প্ৰকল্পৰ ৰূপায়নৰ আৰম্ভণিতে কৰা PVA REPORT ৰ জৰিয়তে ৰাইজৰ সহযোগত প্ৰায়বোৰ বিদ্যালয়তে বিদ্যালয় গৃহৰ মেৰামতি, বৈদ্যুতিকৰণ, চৌহদৰ উন্নয়ণ, চাৰিবেৰ নিৰ্মাণ আদিৰো কাম কৰা হৈছে।

প্ৰকল্পটিৰ ৰূপায়ণৰ বিভিন্নক্ষেত্ৰত অসম চৰকাৰৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, সৰ্বশিক্ষা মিচন অসম, শিক্ষক কৰ্মচাৰী সংস্থা, সাংবাদিক, স্থানীয় বিভিন্ন দল সংগঠনৰ উপৰিও অসমৰ লগতে ভাৰতৰ বিভিন্ন ঠাইৰ বিশিষ্ট ব্যক্তি, সংগঠনে সহযোগ আগবঢ়াইছিল। এই ক্ষেত্ৰত তেখেতসকল কৃতজ্ঞতাৰ পাত্ৰ।

প্ৰকল্পটিৰ পৰৱৰ্ত্তী সময়ত সকলোৰে সহায় সহযোগ পোৱাৰ আশাৰে...

**আব্দুল হাচিব**
**প্ৰকল্প সমন্বয়ক**



### সুৰক্ষা বাৰ্তা

সুৰক্ষা বাৰ্তা "দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমণৰ কৌশল আৰু পদ্ধতিসমূহৰ উন্নয়ন আৰু শক্তিশালীকৰণ প্ৰকল্প, অসম"ৰ অন্তৰ্গত হিচাপে প্ৰকাশিত এখনি বাৰ্তালোচনী। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাধ্যমেৰে সমাজত দুৰ্যোগৰ বিষয়ে সচেতনতা অনাই ইয়াৰ উদ্দেশ্য। সমাজৰ অংশ হিচাপে আপুনিও ইয়ালৈ লিখনি পঠাব পাৰে।

ঠিকনা-মুখ্য কাৰ্যালয়-গ্ৰাম্য বিকাশ মঞ্চ,
১ নং বৰধনৰা, ডাক-দক্ষিণগাঁও,
পিন-৭৮১৩৫০, জিলা-নলবাৰী (অসম)

### সম্পাদনা সমিতি

**সম্পাদনা উপদেষ্টা ঃ** আব্দুল হাছিব, মহানন্দ পাঠক, মহানন্দ তালুকদাৰ, নয়নজ্যোতি ভূঞা আৰু ৰঞ্জিত দাস।

**মুখ্য সম্পাদক ঃ** পৃথ্বিভূষণ ডেকা

**কাৰ্য্যবাহী সম্পাদক ঃ** প্ৰদীপ মহন্ত

**সদস্য/সদস্যা ঃ** কমলেশ্বৰ ভূঞা, দিবাকৰ ডেকা, জীৱন কলিতা, প্ৰাঞ্জল চক্ৰৱৰ্ত্তী, অৰূপজ্যোতি দাস, মজাম্মিল হুছেইন, কামিনি মোহন বৰপাত্ৰ গোঁহাই, কমল কিশোৰ হাজৰিকা, শেৱালী ডেকা, সীমা তালুকদাৰ, দিলীপ বৈশ্য, অচ্যুত দাস, ৰবিন তালুকদাৰ, ববিতা দাস, চন্দন চক্ৰৱৰ্ত্তী আৰু অমল শৰ্মা।

**"Suraksha Barta a quarterly news letter, Published by 'Development Communication Cell' of Gramya Vikash Mancha, under PSDRR Project supported by DIPECHO & Actionaid.**

গ্ৰাম্য বিকাশ মঞ্চৰ ডেভলেপমেণ্ট কমিউনিকেশ্যান চেলৰ দ্বাৰা "দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমণৰ কৌশল আৰু পদ্ধতিসমূহৰ উন্নয়ন আৰু শক্তিশালীকৰণ প্ৰকল্প, অসম"ৰ অধীনত 'ইকো' আৰু একচ্‌ন এইডৰ অৰ্থসাহাযাত প্ৰকাশিত।